# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 9**-08-2024
**Time :** 1800Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

বাংলাদেশৰ বৰ্তমানৰ পৰিস্থিতিৰ বাবে ভাৰত-বাংলাদেশ সীমান্ত পৰ্যৱেক্ষণৰ বাবে কেন্দ্ৰ চৰকাৰৰ গৃহমন্ত্ৰালয়ে এখন উচ্চ পৰ্যায়ৰ কমিটি গঠন কৰি দিছে। এই কমিটিখনে বাংলাদেশত থকা ভাৰতীয় নাগৰীক তথা দেশখনৰ সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ সুৰক্ষাৰ দিশটো লক্ষ্য ৰাখি বাংলাদেশ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ বৰ্তাই ৰাখিব। সীমা সুৰক্ষা বলৰ ইষ্টাৰ্ন কমাণ্ডৰ অতিৰিক্ত সঞ্চালক প্ৰধানক কমিটিখনৰ অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে। গৃহ মন্ত্ৰালয়ৰ সীমা ব্যৱস্থাপনা বিভাগে গঠন কৰি দিয়া কমিটিখনৰ আন চাৰিগৰাকী সদস্য হিচাপে সীমা সুৰক্ষা বলৰ দক্ষিণ বংগ সীমান্ত মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, সীমা সুৰক্ষা বলৰ ত্ৰিপুৰা মুখ্য কাৰ্যালয়ৰ মহাপৰিদৰ্শক, স্থল-বন্দৰ কৰ্তৃপক্ষৰ উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ সদস্য আৰু একেটা বিভাগৰে সচিবগৰাকী আছে।

oooooooo

অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে এইমাহত ১০ আগষ্টৰ পৰিৱৰ্তে ১২ আগষ্টতহে আঁচনিৰ ধন লাভ কৰিব। ১০ আৰু ১১ আগষ্টত চৰকাৰী বন্ধ থকাৰ বাবে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে এই মাহত পাবলগীয়া এহেজাৰ ২৫০ টকা ১২ আগষ্ট অৰ্থাৎ সোমবাৰে লাভ কৰিব। ৰাজ্য চৰকাৰৰ গৃহ বিভাগে আজি এখন প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে।

oooooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়তো আজি মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি অধীনত ৮১৯গৰাকী ছাত্ৰীক প্ৰ-পত্ৰ বিতৰণ কৰা হয়। এই অনুষ্ঠানটি উদ্বোধন কৰে পঞ্চায়ত তথা গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচায্য অধ্যাপক জিতেন হাজৰিকা, ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰীৰ লগতে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্যৰ ছাত্ৰীসকলৰ সৱলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত **মুখ্যমন্ত্ৰীৰ নিযুত মইনা** আঁচনিৰ উদ্বোধন কৰিছিল। এই আঁচনিখনে অহা ৩ বছৰত ১০ লাখ ছাত্ৰীক সামৰি ল'ব। বাল্য বিবাহৰ দৰে কুসংস্কাৰ ৰোধৰ লগতে অপৈণত বয়সতে মাতৃত্ব লাভৰ দৰে সমস্যাৰ পৰা কন্যাসকলক ৰক্ষা কৰাৰ লক্ষ্যৰে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে।

oooooooo

তিনিচুকীয়া জিলা প্ৰশাসনে বিশেষভাৱে সক্ষম সকলক সহায়ৰ বাবে গ্ৰহণ কৰা চিন্তাশীল অভিযান কাৰ্যসূচীৰ অধীনত আজি ১৩৩জন লোকক বিনামূলীয়া সঁজুলি প্ৰদান কৰা হয়। ভাৰতীয় তেল নিগম আৰু কেন্দ্ৰীয় সামাজিক ন্যায় তথা সৱলীকৰণ বিভাগৰ সহায়ত ৰূপায়ন কৰিবলগীয়া এই কাৰ্যসূচী আজি জিলাখনৰ অভিভাৱক তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰী শ্ৰীদাসে কয় যে ৰাইজৰ কল্যাণৰ হকে তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপনীল পালৰ নেতৃত্বত গ্ৰহণ কৰা এই প্ৰচেষ্টা অতি প্ৰশংসনীয়। জিলা সমাজ কল্যাণ বিভাগে এই অভিনৱ আৰু উদ্ভাৱনীমূলক কাৰ্যসূচীৰ অধীনত

যোৱা তিনি মাহে ঘৰে ঘৰে গৈ বিশেষভাৱে সক্ষম লোকসকলক চিনাক্ত কৰাৰ লগতে কিছু পৰিমাণে সকাহ দিবলৈ কৰা চেষ্টা অতি মহৎ কাম বুলি তেওঁ কয়। আদৰণি ভাষণত জিলা আয়ুক্তগৰাকীয়ে সম্প্ৰতি জিলাখনত প্ৰায় ৬হাজাৰ ৫০০জন দিব্যাংগ লোক আছে বুলি জানিবলৈ দিয়ে। মিশ্যন থটফুল অভিযানৰ জৰিয়তে বাছনি কৰা লোকসকলক পৰ্যায়ক্ৰমে তেওঁলোকৰ প্ৰয়োজন অনুসৰি সঁজুলি যোগান ধৰাৰ লগতে কৃত্ৰিম অংগ সংস্থাপনৰো ব্যৱস্থা কৰা হৈছে।

00000000

বিশ্ব বেংকৰ অৰ্থ সাহায্য আৰু অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰণ আঁচনিৰ সহযোগত নিৰ্মিত চৰাইদেউ ৰেচম আৰু কৃষি উৎপাদক কোম্পানীৰ সামূহিক সহায়তা কেন্দ্ৰটো আজি মুকলি কৰা হয়। ৰেচম আৰু কৃষিক সামৰি চৰাইদেউ জিলা নাহৰহাবি গ্ৰান্তত স্থাপন হোৱা কেন্দ্ৰটো সোণাৰী লোকসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোৰৰে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত চৰাইদেউ জিলা আয়ুক্তৰ লগতে ৰাজ্য চৰকাৰৰ হস্ততাত বস্ত্ৰ শিল্প, ৰেচম শিল্প বিভাগৰ কেইবাগৰাকী গৰাকী বিষয়ববীয়া আৰু চৰাইদেউ জিলাৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিশ্ব বেংকৰ প্ৰায় ৩২ লাখ টকা সাহায্যৰে সামূহিক সহায়তা কেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। উল্লেখযোগ্য যে, চৰাইদেউ ৰেচম আৰু কৃষি উৎপাদক কোম্পানীটোৰ সৈতে জিলাখনৰ ৪২০ গৰাকী মহিলা জড়িত হৈ আছে।

00000000

অমৃত বৃক্ষ আন্দোলনৰ দ্বিতীয় পৰ্যায়ৰ অধীনত তিনিচুকীয়া জিলাৰ সকলো প্ৰান্তৰ এক হেক্টৰ কৈ অঞ্চল সামৰি ২৫খন গ্ৰাম্য অৰণ্য নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে। আজি জিলাখনৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এই সিদ্ধান্তৰ প্ৰতি সঁহাৰি জনাই মূলতঃ এম জি এনেৰেগা আঁচনিৰ অধীনত এই অভিনৱ কাৰ্যসূচী ৰূপায়নৰ নিৰ্দেশ দিয়ে। ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে জবকাৰ্ড থকা লোকসকলক তেওঁলোকৰ ইচ্ছা অনুসৰি সম্পূৰ্ণ ১০০ দিনৰ কাম দি প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায়। এই গ্ৰাম্য হাবিসমূহত কাঁইটীয়া তাঁৰৰ বেৰ দিয়াৰ বাবে বিভাগৰ পৰা ধন ব্যয়তো তেওঁ অনুমোদন জনায়। মন্ত্ৰীগৰাকীয়ে এনে সুন্দৰ আৰু অভিনৱ উদ্ভাৱনীমূলক পৰিকল্পনা গ্ৰহণ কৰাৰ বাবে জিলা আয়ুক্তসহ প্ৰশাসনীয় বিষয়াসকলক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে এনে বনাঞ্চলসমূহ গঢ় লৈ উঠিলে ৰাজ্যৰ সেউজ পৰিবেশ সুস্থিৰ হোৱাৰ লগতে পৰিবেশ আৰু ভূমি সুৰক্ষাৰ ক্ষেত্ৰত সহায় হ'ব। ৰাজ্যৰ ভিতৰত এয়া প্ৰথম আৰু অভিনৱ পদক্ষেপ বুলি উল্লেখ কৰি তেওঁ কয় যে জিলাখনৰ আটাইকেইটা উন্নয়ন খণ্ডৰ বিবাদহীন খালী ঠাইসমূহত এই বনাঞ্চল গঢ়ি তোলা হ'ব। মন্ত্ৰীগৰাকীয়ে আজি এই পৰ্যালোচনা বৈঠকত অন্যান্য বিভাগীয় আঁচনিসমূহৰ ৰূপায়নৰ অগ্ৰগতি বুজ লোৱাৰ উপৰি বিষয়াসকলক যাৱতীয় পৰামৰ্শ আগবঢ়ায়। তেওঁ জিলাখনৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি হোৱা কেইবাটাও আন্তঃৰাজ্যিক বিষয় মুখ্যমন্ত্ৰীৰ সৈতে আলোচনাৰ মৰ্মে সমাধান কৰাৰ আশ্বাস দিয়ে।

00000000

ঃসমাপ্তঃ